Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



নৱম শ্ৰেণীৰ পাঠ্যপুথি

ইতিহাস

পাঠ - ১

ভাৰতবৰ্ষলৈ ইউৰোপীয়সকলৰ আগমন

অংশ – ২

অনামিকা দাস

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

চিপাহী বিদ্রোহৰ সূচনা

- লৰ্ড ডেলহাউছী (১৮৫৬)ৰ পিছত লৰ্ড কেনিঙে (১৮৫৬-৬২) গৱৰ্ণৰ জেনেৰেলৰ দায়িত্ব গ্রহণ কৰে।
- ১৮৫৭ খ্ৰীষ্টাব্দৰ ২৯ মাৰ্চ তাৰিখে মংগল পাণ্ডেই বেৰেকপুৰ চিপাহী ছাউনীত ইংৰাজ বিষয়াৰ গালে গুলীবৰ্ষণ কৰি চিপাহী বিদ্রোহৰ সূচনা কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১৮৫৭ খ্ৰীষ্টাব্দৰ চিপাহী বিদ্ৰোহৰ এক প্ৰতীকচিত্ৰ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- মংগল পাণ্ডেৰ লগতে ঈশ্বৰ পাণ্ডেক দোষী সাব্যস্ত কৰি মৃত্যুদণ্ডেৰে দণ্ডিত কৰাৰ পিছতে এই বিদ্রোহ সমগ্র উত্তৰ ভাৰতত বিয়পি পৰে।



মংগল পাণ্ডে

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- বিদ্রোহৰ কাৰণসমূহৰ অন্তৰালত ১০০ বছৰৰ পূৰ্বৰ ইংৰাজ শাসকসকলৰ শাসনৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক পটভূমি নিহিত হৈ আছে।
- ৰাজকীয় শ্ৰেণী আৰু জনসাধাৰণৰ অশান্তিয়ে বিদ্রোহৰ পৰিৱেশ সৃষ্টি কৰিছিল।
- ১৮৩৫ চনত কোম্পানীৰ মুদ্রাৰ পৰা মোগল সম্ৰাটৰ নাম আঁতৰাই পেলোৱা হৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- একে সময়তে পার্চী ভাষাৰ ঠাইত ইংৰাজী ভাষা প্ৰচলনৰ ফলত ভাৰতীয়সকলৰ মনত অসন্তুষ্টি বৃদ্ধি হৈছিল।
- লৰ্ড ডেলহাউছীৰ প্ৰতিক্ৰিয়াশীল প্ৰশাসনে সকলো ধৰ্মৰ ভাৰতীয়ৰ মনৰ অসন্তুষ্টি দুগুণ বৃদ্ধি কৰিলে।
- এই সকলোবোৰৰ ফলশ্ৰুতিত ১৮৫৭ চনৰ বিদ্ৰোহৰ সূচনা হৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

চিপাহী বিদ্রোহৰ সূচনা



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বিদ্রোহৰ ফলাফল

- ১৮৫৭ চনৰ চিপাহী বিদ্রোহে ভাৰতৰ ৰাজনৈতিক ইতিহাসত এক নতুন যুগৰ সূচনা কৰিছিল।
- ইংৰাজ শাসকৰ বিৰুদ্ধে যি বিদ্রোহৰ সৃষ্টি হৈছিল, সেই বিদ্রোহে ভাৰতৰ প্রতি ব্রিটিছ চৰকাৰৰ দৃষ্টিভংগীত উল্লেখযোগ্য পৰিৱর্তন আনিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ভাৰতত নিজৰ শাসন অব্যাহত ৰাখিবলৈ ব্ৰিটিছ চৰকাৰে ক্ষুব্ধ ভাৰতীয়সকলক সন্তুষ্ট কৰিবলৈ ভাৰতীয় প্ৰশাসনত কিছুমান নতুন বিধি-বিধান প্ৰৱৰ্তন কৰিবলগীয়া হৈছিল।
- যদিও, বিদ্ৰোহীসকলে নিজৰ লক্ষ্যত উপনীত হ'ব পৰা নাছিল, কিন্তু তেওঁলোকৰ বাবেই ইংৰাজ চৰকাৰে ভাৰতীয় প্ৰশাসনত পৰিৱৰ্তন সাধন কৰিবলৈ বাধ্য হৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

(ক) সাংবিধানিক পৰিবৰ্তন —

- ১৮৫৭ চনৰ বিদ্রোহৰ ভয়াবহ জোকাৰণিয়ে ইংলেণ্ডৰ জনসাধাৰণৰ মনত ইংলিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্রতি বিতৃষ্ণা ভাৱ সৃষ্টি কৰিছিল।


Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ভাৰতীয়সকলৰ ক্ষোভ, তেওঁলোকৰ দুখ-কষ্ট, বিদেশী শাসনৰ প্ৰতি ক্ৰমাৎ বৃদ্ধি পোৱা অনাস্থা আৰু বিদ্ৰোহৰ মাজেৰে প্ৰতিফলিত হোৱা আক্ৰমণ আৰু প্ৰত্যাক্ৰমণৰ ফলত হোৱা ভয়ানক হত্যাকাণ্ডৰ বাবে তেওঁলোক উদ্বিগ্ন হৈ পৰিছিল।
- ভৱিষ্যতে এনে ভয়ানক পৰিস্থিতিৰ সৃষ্টি ৰোধ কৰিবলৈ ব্ৰিটিছ চৰকাৰে ভাৰতৰ প্ৰশাসনিক যন্ত্ৰৰ ওপৰত একাণপতীয়াকৈ গুৰুত্ব দিবলগীয়া হৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



- ব্রিটিছ সংসদে ১৮৫৮ খ্রীষ্টাব্দৰ ২ আগষ্ট তাৰিখে 'ভাৰত চৰকাৰ আইন' (Government of India Act, 1858) প্রণয়ন কৰিছিল। এই আইনে ইংলেণ্ডৰ চৰকাৰক পোনপটীয়াকৈ ভাৰত শাসন কৰাৰ ক্ষমতা দিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ভাৰতীয় প্ৰশাসনৰ সকলো দায়িত্ব ইংৰাজ চৰকাৰলৈ হস্তান্তৰ কৰাৰ ফলস্বৰূপে কোম্পানীৰ শাসনকালত ভাৰতৰ সৈতে জড়িত নিয়ন্ত্ৰণ পৰিষদ আৰু সঞ্চালক সভাই নিজৰ কৰ্তৃত্ব হেৰুৱাই পেলালে।
- ভাৰতৰ প্ৰশাসনৰ লগত জড়িত সকলো দায়িত্ব আৰু ক্ষমতা এই নতুন আইনৰ দ্বাৰা ব্ৰিটিছ মন্ত্ৰালয়ৰ এজন সদস্যক প্ৰদান কৰা হৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ভাৰতৰ প্ৰশাসনৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত মন্ত্ৰীগৰাকীক 'ভাৰত সচিব' হিচাপে পৰিচিত হৈছিল।
- ভাৰত সচিবক সহায় কৰিবলৈ ১৫ জন সদস্যৰে এখন পৰিষদ গঠন কৰা হয়।
- পৰিষদৰ মুঠ ১৫ জন সদস্যৰ ভিতৰত ইংৰাজ চৰকাৰৰ পক্ষৰ পৰা ৮ জন আৰু বাকী ৭ জন কোম্পানীৰ পৰা নিৰ্বাচন কৰাৰ ব্যৱস্থা কৰা হৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- পৰিষদৰ সচিবগৰাকীক পৰিষদৰ সভাপতিত্বৰ ক্ষমতা দিয়া হৈছিল।
- সকলো সদস্যকে ভাৰতীয় প্ৰশাসন সন্দৰ্ভত পৰামৰ্শ আগবঢ়োৱাৰ দায়িত্ব অৰ্পণ কৰা হৈছিল।
- সচিবগৰাকীয়ে ভাৰতীয় প্ৰশাসন সম্পৰ্কীয় সকলো নথি-পত্ৰ বছৰত এবাৰকৈ ব্ৰিটিছ সংসদত প্ৰতিবেদনৰ আকাৰত দাখিল কৰিব লাগিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

↳ 'ভাৰত চৰকাৰ আইন' অনুসৰি ভাৰতবৰ্ষৰ সৰ্বোচ্চ শাসনকৰ্তা হিচাপে গৱৰ্ণৰ জেনেৰেল থাকিল যদিও তেওঁক ভাইচৰয় (Viceroy) অৰ্থাৎ ৰাজপ্ৰতিনিধিৰ খিতাপ প্ৰদান কৰা হয়।

এই আইনখনে ব্ৰিটিছ চৰকাৰক ক্ষমতা প্ৰদান কৰিছিল —

— ভাইচৰয় আৰু প্ৰাদেশিক মুৰব্বী (গৱৰ্ণৰ) নিযুক্তি দিয়া

— কোম্পানীটোৰ সেনাবাহিনীক নিজৰ নিয়ন্ত্ৰণলৈ আনিলে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- এই আইনখনৰ আন এটা গুৰুত্বপূৰ্ণ দিশ আছিল যে ভাৰত সচিব আৰু ব্ৰিটিছ-ভাৰত চৰকাৰৰ সকলো বিষয়া-কৰ্মচাৰীৰ দৰমহা আৰু ভাট্টা আদি প্ৰদানৰ ব্যৱস্থা ভাৰতৰ পৰা সংগ্ৰহ কৰা ৰাজহৰ পৰাই দিয়াৰ ব্যৱস্থা কৰা হ'ব।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ভাৰত চৰকাৰ আইন বলৱৎ হোৱাৰ পিছত ভাইচৰয় লৰ্ড কেনিঙে ১৮৫৮ চনৰ ১ নৱেম্বৰত এলাহাবাদত এখন দৰবাৰ আয়োজন কৰিছিল।

— নিজকে মহাৰাণী ভিক্টোৰিয়াৰ প্রতিনিধি হিচাপে ঘোষণা কৰিছিল।



লৰ্ড কেনিং

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- এই ঘোষণাৰ লক্ষ্য আছিল ভাৰতীয় প্ৰজা আৰু দেশীয় শাসকৰ মনত সৃষ্টি হোৱা বৈষম্য আৰু সন্দেহ দূৰ কৰা।
- ধৰ্মীয় বিষয়ত উদাৰতা আৰু সহনশীলতাৰ প্ৰতিশ্ৰুতি দিয়াৰ উপৰিও অৰ্থনৈতিক দিশত সমতা অনাৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল। ইয়াৰ উপৰি লৰ্ড কেনিঙে স্বত্ব বিলোপ নীতি পৰিহাৰ কৰি ভৱিষ্যতে ভাৰতত ব্ৰিটিছ সাম্ৰাজ্য সম্প্ৰসাৰণ নকৰাৰ আশ্বাস দিয়ে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- বিদ্রোহৰ সময়ত কোম্পানী চৰকাৰক সহায় কৰা কিছুমান দেশীয় শাসকক, ইংৰাজৰ প্রতি আনুগত্যশীল কিছুমান ভাৰতীয় নেতাক এলাহাবাদ দৰবাৰলৈ নিমন্ত্রণ কৰি পুৰস্কৃত কৰা হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

(খ) সামাজিক পৰিৱৰ্তন —

- যদিও এচাম ভাৰতীয়ই চিপাহী বিদ্রোহক সমর্থন আগবঢ়াইছিল, কিন্তু ইয়াৰ বিফলতাই এইসকল ৰক্ষণশীল জনসাধাৰণৰ মনলৈ এক গতিশীলতা কঢ়িয়াই আনিছিল।
- বিদ্রোহৰ পৰোক্ষ ফলস্বৰূপে ভাৰতীয় সমাজত বর্তি থকা সামন্তযুগীয় স্থবিৰতাৰ অৱসান হৈছিল। তেওঁলোকে আধুনিক পশ্চিমীয়া সংস্কৃতিৰ প্রতি আগ্রহ প্রকাশ কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- মুঠতে চিপাহী বিদ্রোহৰ পিছত ভাৰতীয় সমাজত আধুনিকীকৰণ আৰম্ভ হৈছিল।
- নতুনকৈ শিক্ষিত ভাৰতীয়ৰ এটা অংশ আধুনিকতাৰ স্পর্শত আত্মপ্রতিষ্ঠাৰ বাবে সচেতন হৈ উঠিল।
- বিদ্রোহী চিপাহীৰ সাহস আৰু মনোবলে তেওঁলোকক উৎসাহিত কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- বিদ্রোহৰ বিফলতা নিজ চকুৰে চোৱাৰ পিছত তেওঁলোকে ভালদৰেই উপলব্ধি কৰিলে যে মানুহ সংগঠিত নোহোৱালৈকে জাতীয় আন্দোলন আৰম্ভ কৰাটো অসম্ভৱ।
- চিপাহী বিদ্রোহৰ পিছত ব্রিটিছ চৰকাৰৰ প্রত্যক্ষ শাসনে, ভাৰতীয়ৰ মনত ঐক্যবোধৰ সৃষ্টি কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- বিভিন্ন জাতি-জনজাতি আৰু সম্প্রদায়ৰ মনত 'আমি ভাৰতীয় মানুহ' ধাৰণাটো উদ্ভৱ হৈছিল।
- আনহাতে ভাৰতীয়সকলৰ এই ঐক্যবোধৰ বিপৰীতে ইংৰাজ শাসকসকলে "বিভাজন আৰু শাসন" ৰ মূল নীতি গ্রহণ কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ইংলেণ্ডৰ ৰাণীৰ প্ৰত্যক্ষ শাসন আৰু ভাইচৰয় লৰ্ড কেনিঙৰ দ্বিতীয় কাৰ্যকাল (১৮৫৮-৬২)

লৰ্ড কেনিং আছিল —

- কোম্পানীটোৰ অধীনত শেষ গৱৰ্ণৰ জেনেৰেল
- মুকুটৰ অধীনত প্ৰথম ভাইচৰয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- তেওঁ বিদ্রোহৰ দ্বাৰা বিধ্বস্ত হোৱা অর্থনৈতিক অৱস্থাক শক্তিশালী কৰাৰ চেষ্টা কৰিছিল।
- তেওঁ বিত্ত বিশেষজ্ঞ জেমছ উইলছন আৰু ছেমুৱেলক ভাৰতলৈ আমন্ত্রণ জনাই তেওঁলোকৰ পৰামর্শ গ্রহণ কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- এই বিশেষজ্ঞসকলৰ পৰামৰ্শ অনুসৰি কাম কৰি তেওঁ পৰীক্ষামূলক ভিত্তিত বাৰ্ষিক ৫০০ টকা (পাঁচশ টকা) বা তাতকৈ অধিক উপাৰ্জন কৰা লোকৰ ওপৰত আয়কৰ আৰোপ কৰিছিল।
- তেওঁ আমদানিকৃত সকলো সামগ্ৰীৰ ওপৰত ১০% আমদানি শুল্ক আৰোপ কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- চিৰস্থায়ী বন্দোৱস্তৰ ফলত সৃষ্টি হোৱা অশান্তিৰ অন্ত পেলাবলৈ তেওঁ ১৮৫৯ চনত 'বংগ ৰাজহ' নামেৰে এখন আইন প্ৰণয়ন কৰে।
- এই আইনখনে ৰায়তসকলক মাটিৰ ওপৰত তেওঁলোকৰ অধিকাৰ প্ৰদান কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- নীল ব্যৱসায়ীসকলৰ কৱলৰ পৰা নীল খেতিয়কসকলক সুৰক্ষিত কৰিছিল।
- দেশত উৎপাদিত ধঁপাতৰ ওপৰতো তেওঁ কৰ আৰোপ কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- লৰ্ড কেনিঙে সেনাবাহিনীত কিছু সাংগঠনিক পৰিৱৰ্তন আনিছিল।
- বিভিন্ন জাতি আৰু ধৰ্মৰ লোকক একত্ৰিত কৰি তেওঁ এক সংমিশ্ৰিত ভাৰতীয় সেনা গঢ়ি তুলিছিল।
- এই নতুনকৈ গঠন হোৱা গোটসমূহত তেওঁ কেইবাজনো ইউৰোপীয় সৈনিকক নিয়োগ কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- লৰ্ড কেনিঙে শিক্ষা ব্যৱস্থাটোৰ উন্নতিৰ বাবে 'উডৰ শিক্ষা সংস্কাৰ আঁচনি' (Wood's Despatch)খন ভাৰতত প্ৰৱৰ্তন কৰি প্ৰত্যেক প্ৰদেশতে এজন সচিবৰ তলত শিক্ষা বিভাগ এটা মুকলি কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

১৮৬১ খ্ৰীষ্টাব্দৰ ভাৰতীয় পৰিষদ আইন —

- চিপাহী বিদ্ৰোহৰ পিছত ভাৰত চৰকাৰ আইন (১৮৫৮)ৰ আধাৰত নিৰ্মিত নতুন প্ৰশাসনত ভাৰতীয়সকলক অংশগ্ৰহণৰ অধিকাৰ দিয়া হোৱা নাছিল।
- কোনো ধৰণৰ প্ৰতিনিধিত্বমূলক প্ৰতিষ্ঠান বা পৰিষদ গঠনৰ কোনো ব্যৱস্থা নাছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- যদিও, ৰাণী ভিক্টোৰিয়াৰ ঘোষণা পত্রই ভাৰতীয়সকলৰ প্রতি উদাৰ মনোভাৱৰ প্রতিশ্রুতি দিছিল, কিন্তু আচলতে শাসক আৰু শাসিতৰ মাজৰ দূৰত্ব কমি যোৱা নাছিল।
- শিক্ষিত ভাৰতীয়সকলৰ অসন্তুষ্টিৰ কাৰণসমূহ স্বীকাৰ কৰি ব্রিটিছ সংসদে ১৮৬১ চনত ভাৰতীয় পৰিষদ আইন (১৮৬১) গৃহীত কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- এই আইনৰ উদ্দেশ্য আছিল শিক্ষিত ভাৰতীয়সকলক নতুন প্ৰশাসনিক গাঁথনিৰ সৈতে পৰিচিত কৰা।

(ক) কেন্দ্ৰীয় শাসন

- ১৮৬১ চনৰ ভাৰতীয় পৰিষদ আইনখনে কেন্দ্ৰ আৰু ৰাজ্যসমূহত বিধান মণ্ডল গঠনৰ নিৰ্দেশ দিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ক্ষমতাৰ বিকেন্দ্রীকৰণৰ নীতিৰ ভিত্তিত কেন্দ্রীয় আৰু ৰাজ্যিক বিধান মণ্ডলবোৰৰ মাজত বিধায়িনী ক্ষমতা বিতৰণ কৰা হৈছিল।
- এই আইনখনে ভাইচৰয়ক তেওঁৰ কেন্দ্রীয় বিধান মণ্ডলৰ সদস্যৰ সংখ্যা সৰ্বনিম্ন ৬ৰ পৰা সৰ্বাধিক ১২জন সদস্যক মনোনীত কৰাৰ ক্ষমতা প্রদান কৰিছিল।
- মুঠ সদস্যৰ আধা সংখ্যক বেচৰকাৰী হোৱাটো বাধ্যতামূলক আছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- বেচৰকাৰী সদস্যসকলক বিধান মণ্ডলসমূহত অতিৰিক্ত সদস্য হিচাপে স্থান দিছিল। তেওঁলোকৰ কার্যকাল আছিল ২ বছৰৰ।
- তেওঁলোক ভাৰতত বাস কৰা ইংৰাজ হ'ব লাগিছিল নতুবা থলুৱা লোক হ'ব লাগিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কেন্দ্রীয় বিধান মণ্ডলত প্রথমবাৰৰ বাবে স্থান লাভ কৰা ভাৰতীয়সকল আছিল —

— ৰাজাবাহাদুৰ দিনাকৰ ৰাও, গোৱালিয়ৰ ৰাজ্যৰ প্রাক্তন মন্ত্রী।

— পাটিয়ালাৰ ৰাজাবাহাদুৰ নৰিন্দ্র সিং

— উত্তৰ পূৰ্ব সীমান্ত প্রদেশৰ জমিদাৰ ৰাজ বাহাদুৰ দেউনাৰায়ণ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ভাইচৰয়ৰ কৰ্তৃত্বত পৰিচালিত কেন্দ্ৰীয় বিধান মণ্ডলত প্ৰস্তাৱিত আইন আৰু সিদ্ধান্তসমূহত ভাইচৰয়ৰ সম্পূৰ্ণ সমৰ্থন আৰু আস্থাৰ উপৰি ভাৰত সচিবৰ অনুমোদন লোৱাটো বাধ্যতামূলক আছিল।
- ইংৰাজ শাসকসকলে ভাৰতীয়সকলক বিধান মণ্ডলত স্থান দি ভাৰতীয়সকলৰ পৰা প্ৰত্যক্ষ সমৰ্থন আশা কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- মুঠতে তেওঁলোকে ভাৰতীয়সকলক বিধান মণ্ডলত সদস্যপদৰ প্ৰস্তাৱ দি ভাৰতত প্ৰতিনিধিত্বমূলক চৰকাৰ গঠনৰ সাঁচ সৃষ্টি কৰিছিল।
- প্ৰতিনিধিসকল প্ৰকৃত অৰ্থত ভাৰতীয়ৰ প্ৰতিনিধি আছিল বুলি ক'ব নোৱাৰি।
- তেওঁলোক আচলতে আছিল উচ্চ বংশৰ, অভিজাত ভূ-স্বামী শ্ৰেণীৰ প্ৰতিনিধি।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- আইনী পদ্ধতিৰ জৰিয়তে ভাৰতীয়সকলক প্ৰশাসনত অংশগ্ৰহণ কৰাৰ ক্ষমতা প্ৰদান কৰাটো এটা গুৰুত্বপূৰ্ণ ঘটনা আছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এই আইনখনে কেন্দ্রীয় বিধান মণ্ডলক কিছুমান ক্ষমতা প্রদান কৰিছিল —

— ৰাজহ, বিত্তৰ ওপৰত পৰামর্শ দিয়া আৰু আইন প্রণয়ন কৰা।

— প্রতিৰক্ষা বাহিনীৰ সুৰক্ষা ।

— থলুৱা ভাৰতীয় ৰাজ্য আৰু বৃটিছ অধিকৃত ৰাজ্যৰ ভূ-খণ্ড সুৰক্ষা আদি বিষয়ত পৰামর্শ তথা আইন প্রণয়ন কৰা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- কিন্তু, একে সময়তে, ই ভাইচৰয়ক বিধান মণ্ডলত প্রস্তাৱিত আইনসমূহ উলংঘা কৰাৰ ক্ষমতাও দিছিল।
- এই আইনখনে ৫ জন সদস্যৰে গঠিত "কার্যবাহী পৰিষদ' গঠনৰ পৰামর্শ দিছিল।
- এই 'কার্যবাহী পৰিষদ'লৈ ৩ জন সদস্যক মনোনীত কৰাৰ ক্ষমতাও ভাৰত সচিবক অর্পণ কৰা হৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- কিন্তু ভাৰতত ন্যূনতম ১০ বছৰৰ বাবে সেৱা আগবঢ়োৱাৰ অভিজ্ঞতা থকাসকলকহে তেওঁ মনোনীত কৰিব পাৰিছিল।
- বাকী ২ জন সদস্যক পোনপটীয়াকৈ মনোনীত কৰাৰ অধিকাৰ ব্ৰিটিছ সংসদে পাইছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ভাইচৰয়ক কার্যনির্বাহক পৰিষদ সুচাৰুৰূপে পৰিচালনা কৰাৰ সম্পূর্ণ কর্তৃত্ব দিয়া হৈছিল।
- লর্ড কেনিঙে প্রথমবাৰৰ বাবে কেন্দ্রীয় কার্যবাহী পৰিষদৰ সদস্যসকলৰ মাজত দপ্তৰসমূহ বিতৰণ কৰি তেওঁলোকক নিজৰ দপ্তৰসমূহ চলোৱাৰ অধিকাৰ প্রদান কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- সকলো গুৰুত্বপূৰ্ণ বিষয়তে ভাইচৰয়ৰ পৰা পৰামৰ্শ ল'বলগীয়া হৈছিল।
- কাৰ্যবাহী পৰিষদৰ সদস্যসকলৰ মাজত দপ্তৰসমূহ বিতৰণৰ জৰিয়তে ভাৰতীয় প্ৰশাসনত কেবিনেট ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

(খ) প্ৰাদেশিক শাসন

- ১৮৬১ চনৰ আইনখনৰ লক্ষ্য আছিল কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত ক্ষমতা বিতৰণৰ ব্যৱস্থা অন্তৰ্ভুক্ত কৰি ৰাজ্য চৰকাৰসমূহক শক্তিশালী কৰি তোলা।
- ১৮৩৩ চনৰ আইনখনে বোম্বাই আৰু মাদ্ৰাজ প্ৰেচিডেন্সিৰ প্ৰাদেশিক চৰকাৰক নিজকৈ আইন প্ৰণয়নৰ ক্ষমতাৰ পৰা বঞ্চিত কৰি সকলো আইনী ক্ষমতা বংগৰ গৱৰ্ণৰ জেনেৰেলৰ হাতত অৰ্পণ কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- কিন্তু এই ব্যৱস্থাৰ অন্ত পেলাবলৈ ১৮৬১ চনৰ আইনখনে বোম্বাই আৰু মাদ্ৰাজৰ গৱৰ্ণৰসকলক ন্যূনতম ৪ জন আৰু সৰ্বাধিক ৮ জন মনোনীত সদস্যৰে বিধান পৰিষদ (বিধানসভা) গঠন কৰাৰ অনুমতি দিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

১৮৬১ চনৰ আইনখনে বিধান পৰিষদ গঠনৰ নির্দেশনা জাৰি কৰিছিল —

— বংগ প্রদেশ
— উত্তৰ-পশ্চিম সীমান্ত প্রদেশ
— পঞ্জাব

↳ ১৮৬১ চনৰ আইনখন ত্রুটিহীন বুলিব নোৱাৰি।

↳ এই আইনে নৱগঠিত প্রাদেশিক বিধান পৰিষদসমূহক নিজাকৈ কিছু আইনী ক্ষমতা দিছিল যদিও এই ক্ষমতা আছিল মাত্র সীমিত।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- কিন্তু, একেখন আইনেই বংগৰ গৱৰ্ণৰ জেনেৰেলক সীমাহীন ক্ষমতা প্ৰদান কৰিছিল।
- ফলস্বৰূপে প্ৰাদেশিক চৰকাৰসমূহৰ আইনী ক্ষমতা বহু পৰিমাণে হ্ৰাস পালে।
- প্ৰাদেশিক আৰু কেন্দ্ৰীয় পৰিষদে প্ৰস্তুত কৰা আইনসমূহৰ বাবে বংগৰ গৱৰ্ণৰ জেনেৰেলৰ সন্মতিৰ প্ৰয়োজন আছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- তেওঁ নিজেই অধ্যাদেশ জাৰি কৰাৰ অধিকাৰ ভোগ কৰিছিল।
- পৰিষদৰ পৰামৰ্শ নোলোৱাকৈয়ে তেওঁ যিকোনো ধৰণৰ ক্ষমতা প্ৰয়োগ কৰিব পাৰিছিল।
- ১৮৬১ চনৰ আইনখন স্মৰণীয়। কাৰণ ইয়াৰ জৰিয়তে প্ৰদেশ প্ৰশাসনে বিধান মণ্ডলত প্ৰৱেশ কৰাৰ অনুমতি পাইছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

স্থানীয় স্বায়ত্ত শাসন

- ভাইচৰয় লৰ্ড মেয়ো (১৮৬৯-৭২)ৰ কাৰ্যকালত গ্ৰহণ কৰা "বিত্তীয় বিকেন্দ্ৰীকৰণৰ প্ৰস্তাৱ"-এ ভাৰতত স্থানীয় আত্মশাসনৰ পথ প্ৰশস্ত কৰিছিল।
- ১৪ ডিচেম্বৰ,১৮৭০ চনৰ পৰা বলবৎ কৰা হৈছে।

Under CSR Support by ipca Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। ১৮৫৭ চনৰ বিদ্রোহৰ মূল নায়ক কোন আছিল ?

২। ভাৰতীয় পৰিষদ আইন কেতিয়া গৃহীত হয় ?